# ECHO OF HIS CALL

## যীচু খ্ৰীষ্টৰ আহ্বানৰ প্ৰতিধ্বনি ASSAMESE

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

**Editor : S. SAM SELVA RAJ** | **16 Languages** | **Associate Editor : Sis. Bornali Thapa Raj**

VOL. XXI | YEAR OF OUR LORD JESUS CHRIST, 2020 APRIL, MAY, JUNE | No: 1


### Holy Bible

*PSALM 37:1-9*

### পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক**

**প্ৰভূৰ প্ৰশংসা হওঁক !**

**গীতমালা ৩৭ঃ১-৯**

১। তুমি দুৰাচাৰীবোৰৰ বিষয়ে বেজাৰ নাপাবা; কুকৰ্মীহঁতলৈ অসূয়া নকৰিবা।

২। কিয়নো সিহঁত ঘাঁহৰ দৰে অলপতে কটা যাব, কুমলীয়া তৃণৰ নিচিনাকৈ জঁয় পৰিব।

৩। যিহোৱাক ভাৰসা ৰাখা আৰু সুকৰ্ম কৰা; দেশত বাস কৰা আৰু বিশ্বস্ততাৰূপ পথাৰত চৰা।

৪। যিহোৱাত হৰ্ষ কৰা, তাতে তেওঁ তোমাৰ মনৰ বাঞ্ছা পূৰ কৰিব।

৫। তোমাৰ পথ যিহোৱাত সমৰ্পণ কৰা আৰু তেওঁত ভাৰসা ৰাখা, তাতে তেৱেঁই কাৰ্য সিদ্ধ কৰিব।

৬। তেওঁ তোমাৰ ধাৰ্মিকতা দিপ্তীৰ দৰে প্ৰকাশ কৰিব আৰু দুপৰীয়াৰ নিচিনাকৈ তোমাৰ ন্যায় বিচাৰ প্ৰকাশ কৰিব।

৭। যিহোৱাৰ আগত শান্তভাৱে থাকি তেওঁলৈ অপেক্ষা কৰা; যি মানুহে নিজ পথত কৃতকাৰ্য হয়, তাৰ বিষয়ে বেজাৰ নাপাবা; সেয়ে নিজ কুকল্পনা সিদ্ধ কৰে, তালৈ তুমি অসন্তুষ্ট নহ'বা।

৮। ক্ৰোধ এৰা, কোপ ত্যাগ কৰা; বেজাৰ নকৰিবা, কেৱল হানিহে হয়।

৯। কিয়নো দুষ্টবোৰ উচ্ছন্ন হ'ব, কিন্তু যিহোৱালৈ অপেক্ষা কৰোতাবিলাক হ'লে, পৃথিৱীৰ অধিকাৰী হ'ব।

# ঈশ্বৰে দৃশ্যপটৰ আঁৰত থাকি কাৰ্য কৰে!

# The God who works behind the scenes!

**"কিয়নো যিহোৱাই এই কথা কৈছে, তোমালোকে বতাহ নেদেখিবা, আৰু বৰষুণো নেদেখিবা, তথাপি এই উপত্যকা পানীৰে পৰিপূৰ্ণ হ'ব; তাতে তোমালোক, তোমালোকৰ পশু আৰু বহনকৰোতা জন্তুবোৰে পানী খাব" (২ ৰাজাৱলী ৩ঃ১৭)**

**— এঞ্জেলীন এচ. হেনৰী**

ঈশ্বৰৰ পথবোৰ ৰহস্যজনক! তেওঁ এনে এজন ঈশ্বৰ যিজনে নকল কাৰ্য নকৰে। তেওঁ যিদৰে প্ৰত্যেক ব্যক্তিৰ লগত সহভাগিতা ৰাখে তাক লেখত ল'বলগীয়া। আনকি যদিও একেধৰণৰ অভাৱ, সমস্যা একেই হয়, তেওঁ প্ৰতিবাৰেই বেলেগ বেলেগ ধৰণে কাৰ্য কৰে বহুত সময়ত, আমি ঈশ্বৰৰ ওচৰলৈ এটা স্থিৰ মানসিকতা লৈ আহো। তেওঁ এক নিৰ্দিষ্ট পদ্ধতিৰে পৰিচালনা কৰাটো আমি বিচাৰো। যেতিয়া তেওঁ আমি বিচৰাৰ দৰে কাৰ্য নকৰে তেতিয়া আমি হতাশ, প্ৰত্যাখ্যাত আৰু নিৰাশ হওঁ। আমি ইয়াত যি চাবলৈ ব্যৰ্থ হওঁ সেয়ে হৈছে ঈশ্বৰে দৃশ্যপটৰ আঁৰত থাকি কাৰ্য কৰে। আমি যেতিয়া প্ৰাৰ্থনা কৰো আমি ইয়াৰ উত্তৰ পোৱাৰ ওপৰত ভিত্তি কৰিব লাগিব। কিন্তু উত্তৰৰ অৰ্থৰ বাবে প্ৰাৰ্থনা নকৰো, কিয়নো বাইবেলে ২ ৰাজাৱলী ৩ঃ১৭ পদত কয়, "কিয়নো যিহোৱাই এই কথা কৈছে ঃ তোমালোকে বতাহ নেদেখিবা, আৰু বৰষুণো নেদেখিবা, তথাপি উপত্যকা পানীৰে পৰিপূৰ্ণ হ'ব" আমি বতাহ, বৰষুণ নাইবা কুঁৱলী আনকি পানীৰ এটি টোপালো চোৱাৰ প্ৰয়োজন নাই আমি পুৱাবেলাত উপত্যকা পৰিপূৰ্ণ হৈ থকা চোৱাৰ প্ৰয়োজন আছে।

প্ৰথম পুনৰুত্থানটি ঈশ্বৰে দৃশ্যপটৰ আঁৰত কৰা কাৰ্যৰ উদাহৰণৰ এটা প্ৰতীক স্বৰূপ হয়। তাত অন্ধকাৰময়, নিৰানন্দ আৰু সেমেকা সেমেকা অৱস্থা হৈ আছিল আৰু চাৰিওফালে নিৰাশ আৰু ভয়ে আগুৰি ৰাখিছিল। আনকি মানুহবিলাকে নিজৰ ঘৰৰ পৰা ওলাবলৈকে ভয় কৰিছিল। শিষ্যবিলাকে কোঠালীৰ ভিতৰত দুৱাৰ বন্ধ কৰি সোমাই আছিল। তেওঁবিলাকৰ এজনেই চলাওঁতা যি জনত তেওঁবিলাকে ভাৰসা কৰিছিল, তেওঁ ক্ৰুচবিদ্ধ হ'ল। পৰৱৰ্তী যিকোনো এজনলৈও ঘটিব পাৰে। সেই সম্পূৰ্ণ আশাহীন পৰিস্থিতিৰ সময়ত, কিছুমান তুচ্ছ, দুৰ্বল আৰু অযোগ্য মহিলাই পুৱাতেই উঠি তেওঁলোকৰ প্ৰভুক দেখা কৰিবলৈ নিজকেই যুগুত কৰিলে।

### শিলচটা কোনে গুচাব ?

যিকি নহওক তেওঁবিলাকৰ সকলোৱে নিজ নিজ সমস্যাবোৰ আৰু ভৱিষ্যতৰ ভয়ত সোমাই পৰিল। হয়, তিৰোতাবিলাকে মৃতলোকক

*৩ পৃষ্ঠাত চাওঁক*

# শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্রিকান (মাহেকীয়া আলোচনী)





"... তুমি শান্তিৰে যোৱা, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ আগত তুমি যিহৰ অৰ্থে প্ৰাৰ্থনা কৰিলা, তাক তেওঁ তোমাক দিয়ক" (১ চামূৱেল ১ঃ১৭)

প্ৰভুত মোৰ প্ৰিয়জন,

আমাৰ ত্ৰাণকৰ্তা প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ অতুলনীয় নামত শুভেচ্ছা জনালো।

দিনবোৰ অতি বেগেৰে পাৰ হৈ গৈ আছে। এই বৰ্ষৰ প্ৰায় চাৰি ভাগৰ এভাগ আমি পাৰ কৰিছো। আমাৰ দায়িত্ববোৰ আৰু অধিক বৃদ্ধি হৈ গৈ আছে। যিকোনো প্ৰকাৰে ঈশ্বৰৰ বাক্য গৈ নোপোৱা পৃথিৱীৰ লোকবিলাকলৈ আমি শুভবাৰ্তা দিব লাগিব।

পৃথিৱীৰ এভাগ মানুহে শুভবাৰ্তা শুনি পোৱা নাই। কিন্তু ইতিমধ্যে দৰ্শন পোৱা লোকবিলাকে দৃঢ়ভাৱে থিয় নিদিয়ে। মণ্ডলীবিলাকে তেওঁবিলাকৰ দায়িত্ববিলাকৰ বিষয়ে পাহৰি গৈছে আৰু ব্যৱসায় উদ্দেশ্যৰে একেৰাহে কাৰ্য চলাই আছে।

"দেশৰ মাজত এক আচৰিত আৰু নোম শিয়ৰি যোৱা ঘটনা ঘটিছে। ভাববাদীবিলাকে মিছা ভাববাণী প্ৰচাৰ কৰে আৰু পুৰোহিতবিলাকে তেওঁবিলাকৰ দ্বাৰাই চালিত হৈ শাসন কৰে আৰু মোৰ প্ৰজাবিলাকে এনেকুৱা হোৱা ভাল পায়; কিন্তু ইয়াৰ অন্তত তোমালোকে কি কৰিবা?" (যিৰিমিয়া ৫ঃ৩০,৩১)।

"যি কালত কোনেও কৰ্ম কৰিব নোৱাৰে, এনে ৰাতি আহিছে" (যোহন ৯ঃ৪)। "তুমি পদাতিবিলাকৰ লগত লৰ মাৰিলে, সিহঁতে যদি তোমাক ক্লান্ত কৰে, তেন্তে ঘোঁৰাৰ লগত লৰ মাৰিলে কেনেকৈ জিকিবা? আৰু যদিও তুমি শান্তিৰ দেশত নিৰাপদে থাকা, তথাপি যৰ্দনৰ শোভাস্বৰূপ অৰণ্যত কি কৰিবা? (যিৰিমিয়া ১২ঃ৫)। "কিয়নো মোৰ প্ৰজাবিলাকৰ মাজত দুষ্টলোক পোৱা যায়; চৰাইমৰীয়াই খাপ দি থকাৰ দৰে সিহঁতে খাপ দি থাকে..." (যিৰিমিয়া ৫ঃ২৬)। "কিয়নো তেওঁবিলাকৰ সৰুৰ পৰা বৰলৈকে প্ৰতিজন লোভত আসক্ত, আৰু ভাববাদীৰ পৰা পুৰোহিতলৈকে প্ৰতিজনে প্ৰৱঞ্চনাৰ কাৰ্য কৰে। যেতিয়া কোনো শান্তি নাই, তেতিয়া তেওঁবিলাকে শান্তি শান্তি বুলি কৈ মোৰ প্ৰজাবিলাকৰ ঘা সামান্যৰূপে সুস্থ কৰিলে" (যিৰিমিয়া ৬ঃ১৩, ১৪)। "চাৰি আলিৰ মূৰত থিয় হৈ চোৱা, আৰু প্ৰাচীন পথবোৰৰ বিষয়ে সোধা, উত্তম পথ কোনটো? আৰু তাত চলা; তাতে তোমালোকৰ প্ৰাণত বিশ্ৰাম পাবা; কিন্তু তেওঁবিলাকে ক'লে, আমি তাত নচলো (যিৰিমিয়া ৬ঃ১৬)।

সংকটৰ কালত আমাত থকা গভীৰ বিশ্বাসৰ সৈতে খ্ৰীষ্টৰ প্ৰেমে আমাক শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ বাধ্য কৰাই (২ কৰিন্থীয়া ৫ঃ১৪)। আমাৰ হাতত শুভবাৰ্তাক লৈ আমি পৃথিৱীৰ চুকে-কোণে যাব লাগিব। আমি আমাৰ পৰিয়ালবৰ্গ আৰু ওচৰ-চুবুৰীয়াসকলক অলপতে ঘটিবলগীয়া ঈশ্বৰৰ মহাবিচাৰৰ বিষয়ে তেওঁলোকক ক'ব লাগিব আৰু লগতে ঈশ্বৰৰ অনন্তকলীয়া ৰাজ্যৰ বিষয়েও ক'ব লাগিব। গোটেই পৃথিৱীৰ মানুহবিলাকক আমি সম্পূৰ্ণ শুভবাৰ্তা বিলাব লাগিব।

গীৰ্জাঘৰৰ ভিতৰত বহু সদস্য-সদস্যাক লৈ আৰামত থকাটো যথেষ্ট হ'ল। সৰহভাগ মানুহ যিবিলাকে সত্যৰ বিষয়ে আৰু তেওঁবিলাকলৈ সোনকালে অহা বিনাশৰ বিষয়ে নাজানে, আপুনি তেওঁবিলাকৰ আগন্তুক ধ্বংসৰ বিষয়ে চিন্তা নকৰেনে? মুকলিকৈ ওলাই আহক আৰু যীচু খ্ৰীষ্টৰ শক্তিক প্ৰচাৰ কৰক আৰু বৰ্তমানৰ জনসাধাৰণলৈ তেওঁৰ ৰাজ্যৰ বিষয়ে প্ৰচাৰ কৰক। ভয়ানক ৰূপত উঠি অহা শত্ৰুৰ লগত ঈশ্বৰে ব্যৱস্থা কৰি আছে। এতিয়াৰ সময় জিৰণীৰ সময় নহয় এতিয়া আমি জৰুৰীভাৱে কাৰ্য কৰিব লাগিব। যিকোনো ধৰণে যিকোনো মূল্যত যিকোনো উপায়েৰে প্ৰত্যেক উপায়ে আগবাঢ়ি আহি অন্তত ধ্বংসৰ পৰা কিছুমান মানুহক ৰক্ষা কৰক।


**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager



**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.

**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.



**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.



**Phone :** (+91-44) 2852 8282
2852 9293, 2854 7766
**Email :** sam@echoofhiscall.org
biblecor@yahoo.co.in



**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com



**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners Village English High School Crusades 100 Prayer Warriors Community Development

হে ঈশ্বৰৰ লোকবিলাক, ঈশ্বৰৰ সেৱা কৰিবলৈ যাৰ যাৰ দৰ্শন আছে কিন্তু মণ্ডলীৰ, প্ৰশাসন আৰু জগতৰ ভিতৰত বন্ধ হৈ আছে, ওলাই আহক আৰু আপোনাৰ সকলো শৰীৰ, প্ৰাণ আৰু আত্মাক ঈশ্বৰৰ পৰিচৰ্যাৰ বাবে সমৰ্পণ কৰক।

আমাৰ আগত বিশাল পকা শস্য আছে। ঈশ্বৰৰ পৰিচৰ্যালৈ যোৱা লোকবিলাকৰ প্ৰয়োজন হৈছে। আমাৰ জীৱনৰ শেষ হোৱাৰ আগতে আৰু সুবিধাবোৰ গুচি যোৱাৰ আগতে তেওঁৰ পৰিচৰ্যাৰ বাবে আগবাঢ়ি ওলাই আহক। শুভবাৰ্তা বিলোৱাই আজি আমাৰ বাবে জৰুৰী কৰ্তব্য হৈছে!

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক
এচ. চাম ছেলভা ৰাজ।

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

জীৱিত কৰা লোকজনক লগ কৰিবলৈ গৈছিল, তেওঁবিলাকে ৫০০০ লোকক ৫ টা পিঠাৰে আৰু ২ টা মাছেৰে আহাৰ যোগোৱা লোকজনক চাবলৈ গৈ আছিল, কিন্তু তেওঁবিলাকে নিজ নিজ চিন্তা আৰু উদ্বিগ্নতাৰ জালত জঁট খাই গৈছিল। বহুত সময়ত আমি ঈশ্বৰৰ উপস্থিতিলৈ আহোঁ, কিন্তু আমি আমাৰ নিজ নিজ সমস্যা আৰু যুঁজবিলাকত সোমাই পৰো। সেই ৰাতিপুৱা বেলাত তেওঁবিলাকৰ সমস্যাটো কি আছিল? "শিলচটা কোনে গুচাব"?

কেতিয়াবা আমি ঈশ্বৰে আমাৰ জীৱনত কৰা সকলো আচৰিত কৰ্মৰ বিষয়ে আমি পাহৰি যাওঁ। যি মুহূৰ্তত আমি সমস্যাৰ সন্মুখীন হওঁ, আমি ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে প্ৰশ্ন কৰো। যেতিয়া ঈশ্বৰে আমাৰ প্ৰাৰ্থনাৰ উত্তৰ নিদিয়ে আমি কওঁ যে মই জানো যে ঈশ্বৰ, সৰ্বশক্তিমান, মই জানো যে তেওঁ সকলো কাৰ্য কৰিব পাৰে, মই জানো যে তেওঁ অতি ক্ষমতাশালী, কিন্তু এতিয়া মোৰ অৱস্থা একেবাৰে শোচনীয় হৈ আছে। ইয়াত আৰু সহায় কৰিব পৰা নাযাব। এতিয়া ঈশ্বৰ ক'ত আছে? অতীতত আমি সন্মুখীন হোৱা শক্তিশালী মোকাবিলাবোৰক উৎখাত কৰাত এটা বাক্যই যথেষ্ট আছিল।

## শিলচটা অতি ডাঙৰ আছিল ঃ

মাৰ্কে লিখা শুভবাৰ্তা ১৬ঃ৪ ত বাইবেলে কয়, শিলচটা অতি ডাঙৰ আছিল। আজি আপুনিও ক'ব পাৰে যে যি সমস্যা (শিলচটা)ৰ সন্মুখীন মই হৈ আছো, এইটো এটা সাধাৰণ সমস্যা নহয় বা কেৱল এটা ডাঙৰ শিলো নহয় কিন্তু ই এটা অতি ডাঙৰ শিল হয়। মোক কোনোবাই সহায় কৰিবলৈ মোৰ প্ৰয়োজন হৈছে। মোৰ ফালৰ পৰা কোনোবাই ইয়াক গুচাই দিয়াৰ প্ৰয়োজন হৈছে; কিন্তু কোনে এই কাৰ্য কৰি দিব?

দ্বিতীয় বিৱৰণ ৮ঃ১৫-১৬ কয়, "তোমাৰ ভাৱী মংগলৰ অৰ্থে... পোৰণি ধৰোৱা সাপ আৰু কেঁকোৰা বিছা থকা মহৎ আৰু ভয়ানক অৰণ্যেদি আৰু কোনো পানী নথকা মৰুভূমিয়েদি তোমাক লৈ ফুৰাইছিল।"

ঈশ্বৰে কেতিয়াবা আমাক অন্ধকাৰময়, বিশাল অৰণ্যৰ মাজেদি চলাই যাতে আমি পৰৱৰ্তী কালত আশীৰ্বাদ পাম। আপোনাৰ চাৰিওফালে হয়তু মৰাত্মক বিছা আৰু সাপবোৰে ঘেৰি ৰাখিছে, আপোনাক বধ কৰিবলৈ অপেক্ষা কৰি আছে, আপোনাৰ পতন হোৱালৈ বাট চাই আছে। এনে লাগে যেন আপুনি ভুলক্ৰমে যদি তাত ভৰি দিয়ে তেন্তে আপোনাক গিলি পেলাব। আপুনি ব্যৰ্থ হোৱালৈ অপেক্ষা কৰি আছে। কিন্তু আপুনি জানে যে বাইবেলে এই বিষয়ত কি কয়, "মই তোমাক সাপবোৰ, বিছাবোৰ শুকান মৰুভূমিৰ মাজেদি চলাই আছো।" এয়া আপোনাক ঈশ্বৰেহে চলাই আনিছে। বলৱান আৰু সাহিয়াল হওক। শেষৰ ফলাফল ভাল হ'ব!!!

## তেওঁলোকে চকু তুলি দেখিলে!

মাৰ্কে লিখা শুভবাৰ্তা ১৬ঃ৪ পদে কয়, "এনেতে তেওঁলোকে চকু তুলি শিলচটা বগৰাই থোৱা দেখিলে!" যি সমস্যাৰ আজি আপুনি সন্মুখীন হৈ আছে সি অতি প্ৰকাণ্ড আৰু তাৎপৰ্যপূৰ্ণ। ইয়ে আপোনাৰ নিদ্ৰা হৰিছে, আপোনাৰ মংগল, ইয়ে আপোনাৰ দৈনন্দিন জীৱনত উগুল-থুগুল লগাইছে আৰু আপোনাৰ শাৰীৰিক আৰু মানসিক অৱস্থাত প্ৰভাৱ পেলাইছে। কিন্তু বাইবেলে কয় যে তেওঁলোকে চকু তুলি শিলচটা বগৰাই থোৱা দেখিলে। যেতিয়া আপুনি চকু তুলি চাই ইয়াৰ অৰ্থ এয়ে নহয় আপুনি ওপৰলৈ চাই আছে কিন্তু আগলৈহে চাই আছে - আগলৈ যিমান দূৰ পাৰে তেওঁলোকে চাই আছিল যেতিয়া তেওঁলোকে আগলৈ গৈ দেখিলে তেতিয়াই সেই তিৰোতাসকলৰ জীৱন সলনি হ'ল। প্ৰিয় বন্ধুসকল, আপুনি হয়তু জীৱনত ডাঙৰ শিলচটাৰ দৰে সমস্যাৰ সন্মুখীন হৈ আছে অনুগ্ৰহ কৰি চকু তুলি সমস্যাটোৰ আগলৈ চাওক। আপুনি দেখিব যে শিলচটা গুচাই থোৱা আছে। আপোনাৰ সন্মুখত থকা শিলচটাৰ পাছফালে থকা আশীৰ্বাদবোৰক দেখুৱাই দিবলৈ ঈশ্বৰক কওক। ঈশ্বৰে দৃশ্যপটৰ পাছফালে কাৰ্য কৰে। আনকি তেওঁবিলাকে সেইদিনা অতি ৰাতিপুৱা সাৰপোৱাৰ আগয়ে শিলচটা গুচাই দিছিল। আমাৰ এনে এজনা ঈশ্বৰ আছে যিজনে তেওঁলৈ অপেক্ষা কৰি বাট চাই থকা জনাৰ বাবে কাৰ্য কৰে (যিচয়া ৬৪ঃ৪)। তেওঁ সকলোকেই নিজ নিজ কালত সুন্দৰ কৰিছে, তেতিয়ালৈকে আপুনি ধৈৰ্য ধৰক আৰু চাওক তেওঁ আপোনাৰ বাবে কি জমা কৰি ৰাখিছে।

## মোচিৰ লাখুটি ঈশ্বৰৰ লাখুটিলৈ পৰিৱৰ্তন হ'ল ঃ

যাত্ৰাপুস্তক ৪ অধ্যায়ত আমি দেখা পাওঁ যে ঈশ্বৰে মোচিক জ্বলি থকা জোপোহাৰ পৰা মাতিছিল। মোচিয়ে কেৱল জ্বলি থকা জোপোহাকহে দেখা পালে। ঈশ্বৰে যে সেই জ্বলি থকা জোপোহাৰ পাছফালে থকা তেওঁৰ ভৱিষ্যতক তৈয়াৰ কৰি আছে তাক তেওঁ নেদেখিলে! ঈশ্বৰ কাৰ্য কৰি আছিল!! দৃশ্যপটৰ আঁতৰ থাকি!!!

মোচিক সহায় কৰিবৰ বাবে তেওঁৰ আহবানক উপলব্ধি কৰিলে, ঈশ্বৰে যে কোন হয় তেওঁক দেখুৱাব বিচাৰিছিল। গতিকে ঈশ্বৰে মোচিক তেওঁৰ সাধাৰণ মেৰৰখীয়া লাখুটিডালক মাটিত পেলাবলৈ কৈছিল আৰু তেতিয়া সেই লাখুটি সাপ হৈ গৈছিল। যেতিয়া মোচিয়ে সাপটোক দেখিলে তেওঁ পলাই গৈছিল। তেওঁ এনে এজন মানুহ আছিল যিজনে জীৱনত কোনো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নোৱাৰিছিল, তেওঁ সহজে ত্যাগ কৰা লোক আছিল। তেওঁ এনে এজন মানুহ

আছিল যিজনে সমস্যাৰ সন্মুখীন হ'ব নোৱাৰিছিল। তেওঁ দায়িত্বৰ পৰা পলাই যাবলৈ যিকোনো অজুহাত দেখুৱাব পাৰে। সেইটোৱেই আছিল মোচিৰ চৰিত্ৰ। এনেদৰে তেওঁ প্ৰথমবাৰৰ বাবে কাৰ্য কৰা নাছিল, মিচৰীয়া লোক এজনক হত্যা কৰাৰ পাছতো তেওঁ পলাই গৈছিল। তেওঁ এজন পলৰীয়া আৰু নিষ্কৰ্মা লোক আছিল। তেওঁ তেওঁৰ সমস্যাবোৰৰ বিৰুদ্ধে যুঁজ কৰিবলৈ সাহস কৰা নাছিল। মানুহ হিচাবে আমি আমাৰ বিফলতাবোৰৰ, নিৰাশ আৰু ভয়ৰ সন্মুখীন হ'বলৈ চেষ্টা কৰো। কেতিয়াবা আমি মোচিৰ দৰে পলাই যাওঁ!! কিন্তু মনত ৰাখিব আমাৰ এনে এজনা ঈশ্বৰ আছে যিজন তেওঁৰ শক্তিত আচৰিত। আপুনি তেওঁক নেদেখাৰ সময়তো তেওঁ কাৰ্য কৰি থাকে!

**তুমি তোমাৰ হাত মেলা!!**

যাত্ৰা পুস্তক ৪ঃ৫ "তুমি তোমাৰ হাত মেলি তাৰ নেগুৰত ধৰা; তাতে তেওঁ নিজ হাত মেলি তাক ধৰিলত, সেয়ে তাৰ হাতত লাখুটি হ'ল।"

সাপ সদায় সাপেই হৈ থাকিব। কিন্তু আপুনি তাৰ ওচৰলৈ গৈ নিজ হাত মেলি তাক ধৰক, তেতিয়া আপুনি আপোনাৰ জীৱনত তেওঁৰ আচৰিত কৰ্মক দেখিব। নহ'লে সাপটো সাপেই হৈ থাকিব আৰু আপোনাক অনিষ্ট কৰিব পাৰে। কিন্তু যদি আপুনি ঈশ্বৰৰ শক্তিৰে তাক স্পৰ্শ কৰে সেই একেডাল সাপেই আপোনাৰ হাতত লাখুটিলৈ পৰিৱৰ্তন হ'ব। সেই লাখুটিডালক অৰণ্যত মেৰবিলাকক যত্ন লোৱাত ব্যৱহাৰ কৰা হৈছিল। কিন্তু ঈশ্বৰৰ সৈতে মুখামুখি হোৱাৰ পাছত এডাল শক্তিশালী লাখুটি হৈ আচৰিত কৰ্মবোৰ দেখুৱালে আৰু বহুত মানুহৰ জীৱনলৈ পৰিৱৰ্তন আনিলে। "হাত মেলক", ঈশ্বৰে আপোনাক হাত মেলি চাবলৈ কৈছে। যি বস্তুৱে আপোনাক ভয় দেখুৱাই বা যান্ত্ৰণা দিয়ে; সেই বস্তুৱেই এটা শক্তিশালী বস্তু হৈ কেৱল আপোনাৰ জীৱনতেই নহয় কিন্তু আপোনাৰ চাৰিওফালে থকা আনলোকবিলাকলৈও আশীৰ্বাদ কঢ়িয়াই আনিব। এই লাখুটি তেতিয়া কেৱল মেৰৰখীয়াৰ লাখুটি হৈ নাথাকিল। এই লাখুটিডাল ঈশ্বৰৰ লাখুটি হৈ পৰিছিল। এই লাখুটিডাল ঈশ্বৰৰ অস্ত্ৰ হৈ পৰিছিল।

ভাবি চাওক এতিয়া আপোনাক কি বস্তুৱে ভয় খুৱাই আছে। যি প্ৰকাণ্ড শিলচটা আপোনাৰ পথত থিয় হৈ ৰখি আছিল, যি শিলচটাই আপোনাক বাধা দি আছে বুলি আপুনি ভাবে, সেই শিলচটাই আপোনাৰ বাবে ঈশ্বৰৰ আশীৰ্বাদ আনিবলৈ শিলৰ খটখটী হৈ পৰিব। যদি আপোনাক কিহবাই খেদি আছে, আপুনি ঘূৰি ঈশ্বৰৰ শক্তিৰে তাৰ সন্মুখীন হওক। তেতিয়া ঈশ্বৰে আপোনাৰ যোগেদি কি কাৰ্য কৰিব তাক দেখি আপুনি আচৰিত হ'ব। যেতিয়া মোচিয়ে তেওঁৰ ভয়ক দমন কৰিলে তেতিয়া সেই লাখুটিডাল ঈশ্বৰৰ লাখুটি হৈ পৰিল।

প্ৰিয় বন্ধুসকল, আপুনি কেৱল শিলচটাকহে দেখি আছে! কিন্তু ঈশ্বৰে দৃশ্যপটৰ আঁৰত কাৰ্য কৰে বুলি মনত ৰাখিব। সেই তিৰোতা কেইগৰাকীয়ে শিলচটাৰ বিষয়ে চিন্তা কৰি আছিল যে কোনে আমাক শিলচটাক গুচাই দিয়াত সহায় কৰিব। কিন্তু তেওলোকে ঠাইডোখৰ পোৱাৰ আগেয়েই ঈশ্বৰে সেই শিলচটাক আঁতৰাই দিলে। মনত ৰাখিব তেওঁ সদায় তেওঁৰ নামত সুন্দৰ কাৰ্যবোৰ কৰে। তেওঁ আপোনাৰ বাবে শিলচটা গুচাব! তেওঁৰ কাৰ্য তেওঁৰ মতে আৰু তেওঁৰ সময়মতে পৰিপূৰ্ণ কৰিব।

এইদৰেই প্ৰথম পুনৰুত্থান আশাৰ এটা ইতিহাসত পৰিণত হ'ল। পুনৰুত্থানৰ দিনটো এক মনত ৰাখিবলগীয়া দিন হয় ঃ

আনকি যেতিয়া মই এই কাৰ্যক নেদেখো
তেতিয়াও তুমি এই কাৰ্য কৰি আছা
আনকি যেতিয়া এই কাৰ্যক অনুভৱ নকৰো তেতিয়াও তুমি এই কাৰ্য কৰি আছা
তুমি কেতিয়াও স্তব্ধ নোহোৱা, তুমি কেতিয়াও কাৰ্য কৰিবলৈ বন্ধ নকৰা
তুমি কেতিয়াও স্তব্ধ নোহোৱা, তুমি কেতিয়াও কাৰ্য কৰিবলৈ বন্ধ নকৰা।

(ৰে মেকাৰ বাই অচিনাচি যোচেফ)

****

# জীৱনৰ নদী

**"... সেয়ে মই পাৰ হৈ যাব নোৱাৰা এখন নদী; কিয়নো জলসমূহ বাঢ়িল, সাতুৰিব লগা জলসমূহ হ'ল, পাৰ হৈ যাব নোৱাৰা এখন নদী হ'ল"(যিহিষ্কেল ৪৭ঃ৫)**

**— পালক ডেভিদ উইলকাৰচন**

যিহিষ্কেল ভাববাদীক এক আচৰিত ধৰণৰ দৰ্শন দিয়া হৈছিল। ঈশ্বৰৰ হাতে তেওঁক এক এটি ওখ পৰ্বতলৈ নিছিল য'ত তেওঁক এজন মানুহে দেখা দিছিল, "যাৰ মুখমণ্ডল পিতলৰ আভাৰ নিচিনা আছিল" (যিহিষ্কেল ৪০ঃ৩)। যোহনেও একেই ধৰণৰ এজন পুৰুষৰ বিষয়ে বৰ্ণনা কৰিছে যি পুৰুষে তেওঁক পাত্ম দ্বীপত দেখা দিছিল ঃ "তেওঁৰ চৰণ অগ্নিকুণ্ডত জিলিকি থকা চকা পিতলৰ নিচিনা" (প্ৰকাশিত বাক্য ১ঃ১৫)।

যিজন পুৰুষৰ বিষয়ে এই শাস্ত্ৰপাঠত কোৱা হৈছে তেওঁ খ্ৰীষ্টৰ বাহিৰে আন কোনো হ'ব নোৱাৰে। তেওঁ যিহিষ্কেলক ঈশ্বৰৰ গৃহৰ দুৱাৰ মুখলৈ নিছিল, তাত তেওঁ এই ভাববাদীজনক আচৰিত দৰ্শন দিছিল। ই এক ঈশ্বৰৰ লোকবিলাকৰ ভৱিষ্যতৰ দৰ্শন হয় আৰু শেষ কাল যিদৰে কাষ চাপি আহিছে সেই সময়ত ঈশ্বৰৰ শৰীৰ কি ধৰণৰ হ'ব তাক প্ৰকাশ কৰিছে।

"পাছে তেওঁ মোক গৃহটিৰ দুৱাৰ মুখলৈ ওলোটাই নিলে আৰু চোৱা, গৃহটিৰ দুৱাৰডলিৰ তলৰ পৰা জলসমূহ ওলাই পূব দিশলৈ বৈ গৈছিল কিয়নো গৃহটিৰ আগফাল পূবদিশে আছিল। আৰু বেদীটোৰ দক্ষিণে গৃহটিৰ সোঁ কাষৰ তলৰ পৰা সেই জলসমূহ নামি গৈছিল।

পাছে পুৰুষজনে হাতত ৰছী এডাল লৈ পূব ফাললৈ আগবাঢ়ি গৈ এক হাজাৰ হাত জুখিলে আৰু মোক জলসমূহৰ মাজেদি নিলে; সেয়ে খাৰ

*৬ পৃষ্ঠাত চাওঁক*

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

## ২০২০ চনৰ ১৯ এপ্ৰিলৰ পৰা ২০২০ চনৰ ১৮ মে'লৈ

### প্ৰশংসাৰ বিষয়সমূহ ঃ

এপ্ৰিল ১৯ ঃ ২০২০ ৰ ১৬ মাৰ্চত আমাৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সভাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২০ ঃ ঈশ্বৰৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা দিয়াত ঈশ্বৰে অনুগ্ৰহেৰে সহায় কৰিলে।

এপ্ৰিল ২১ ঃ আমাৰ পৰিচৰ্যাবিলাকত পৰিচৰ্যা কৰা সকলো সমৰ্পিত কৰ্মচাৰীসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

এপ্ৰিল ২২ ঃ আমাৰ মিশ্বন ক্ষেত্ৰৰ পৰিচৰ্যাবিলাকৰ পৰা আমি ভাল ৰিপ'ৰ্ট পাই আছো।

এপ্ৰিল ২৩ ঃ আমাৰ মুখ্য কেন্দ্ৰীয় মণ্ডলীত প্ৰতি দেওবাৰে ৫ টা ভাষাত ৭ টা উপাসনাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

এপ্ৰিল ২৪ ঃ আমাৰ সকলো সহকাৰী সম্পাদকসকলৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

এপ্ৰিল ২৫ ঃ আমাৰ ছপাশালত ১৬ টা ভাষাত শুভবাৰ্তাৰ আলোচনী ছপা কৰি মিশ্বন ক্ষেত্ৰলৈ পঠোৱাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২৬ ঃ আমাৰ চিকিৎসালয় পৰিদৰ্শন পৰিচৰ্যাত ঈশ্বৰে আচৰিত কৰ্ম কৰি আছে।

এপ্ৰিল ২৭ ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাক সহায় কৰা সকলো লোকৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

এপ্ৰিল ২৮ ঃ আমাৰ শিশুবিলাকৰ পৰিচৰ্যাত নতুন নতুন শিশুবিলাকক যোগোৱাৰ দ্বাৰাই ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ২৯ ঃ আমাৰ মণ্ডলীবিলাকত নতুন নতুন আত্মা যোগোৱাৰ দ্বাৰাই ঈশ্বৰে আশীৰ্বাদ কৰিলে।

এপ্ৰিল ৩০ ঃ ঈশ্বৰে আমাৰ জেষ্ঠ পালক ৰেভাঃ এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

মে' ১ ঃ এই মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

মে' ২ ঃ আমাৰ পৰিচৰ্যাৰ ক্ষেত্ৰত ঈশ্বৰে নতুন নতুন দাসসকলক আনিছে।

মে' ৩ ঃ আমাৰ প্ৰভু ঈশ্বৰে আমাৰ শুভবাৰ্তাৰ ছপাশাল আৰু আমাৰ কৰ্মীসকলক আশীৰ্বাদ কৰিছে।

### প্ৰাৰ্থনাৰ বিষয়সমূহ !

মে' ৪ ঃ এই মাহত তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাবিলাকৰ সকলো আৰ্থিক সহায় পাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

মে' ৫ ঃ আমাৰ চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২০ ৰ পৰা ২০২১ লৈ নতুন নতুন ছাত্ৰ-ছাত্ৰীক পাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

মে' ৬ ঃ ভাৰত তথা আন সকলো দেশবিলাকত ৰাজনৈতিক শান্তি বিচাৰি আমি প্ৰাৰ্থনা কৰোহক।

মে' ৭ ঃ পৃথিৱীৰ সকলো দেশৰ সীমান্ত অঞ্চলত শান্তিৰ বাবে প্ৰাৰ্থনা কৰোহক।

মে' ৮ ঃ পৃথিৱীত থকা ঈশ্বৰৰ সকলো দাসবিলাকৰ নিৰাপত্তাৰ বাবে প্ৰাৰ্থনা কৰক।

মে' ৯ ঃ আমাৰ সহকাৰী সম্পাদক ভাই এম. পৌলৰাজে লিখা ইংৰাজী পুস্তক "ঈশ্বৰৰ ৰাজ্য" প্ৰকাশ কৰাত ঈশ্বৰে সহায় কৰিবলৈ প্ৰাৰ্থনা কৰক।

মে' ১০ ঃ আমাৰ আফ্ৰিকা মূলৰ সহকাৰী সম্পাদক, ভনী মেৰিটিজী নেলচনৰ সুস্বাস্থ্যৰ বাবে প্ৰাৰ্থনা কৰোহক।

মে' ১১ ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলী আৰু ইয়াৰ শাখা মণ্ডলীৰ জেষ্ঠ কৰ্মকৰ্তাসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

মে' ১২ ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰীসকল, গ্ৰাহক অংশীদাৰীসকল, বিশ্বাস অংশীদাৰীসকল, জীৱন অংশীদাৰীসকল আৰু মহান আজ্ঞাৰ অংশীদাৰীসকলৰ বাবে প্ৰাৰ্থনা কৰক।

মে' ১৩ ঃ গোটেই পৃথিৱীত ঈশ্বৰে আত্মিক জাগৰণ পঠিয়াবলৈ প্ৰাৰ্থনা কৰক।

মে' ১৪ ঃ আমাৰ নহিমিয়া বাইবেল কলেজ কেইখনৰ ২০২০-২০২১ শিক্ষা বৰ্ষৰ বাবে সমৰ্পিত ছাত্ৰ-ছাত্ৰীসকলক যোগাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

মে' ১৫ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ ১৩ জুন ২০২০ তাৰিখে হ'বলগীয়া উপাধিকৰণ কাৰ্যসূচীৰ বাবে প্ৰাৰ্থনা কৰক।

মে' ১৬ ঃ বৃদ্ধ আশ্ৰমত থকা সকলো লোকৰ বাবে প্ৰাৰ্থনা কৰক।

মে' ১৭ ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ বিভিন্ন কাৰ্যক্ৰমৰ বাবে প্ৰাৰ্থনা কৰোহক।

মে' ১৮ ঃ ভিতৰুৱা অঞ্চলত শুভবাৰ্তা বিলোৱা প্ৰত্যেকৰ বাবে প্ৰাৰ্থনা কৰোহক।

গঠিয়া পানী। পুনৰায় তেওঁ এক হাজাৰ হাত জুখিলে আৰু জলসমূহৰ মাজেদি মোক নিলে; সেয়ে এককলীয়া পানী।

"নদীখনৰ কাষত, তাৰ পাৰত ইফালে-সিফালে সকলো বিধৰ খোৱা গুটিৰ গছ হ'ব, সেইবোৰৰ পাত জঁয় নপৰিব আৰু গুটি নুচুকাব; জলসমূহ ধৰ্মধামৰ পৰা ওলোৱাৰ কাৰণে সেইবোৰত মাহে মাহে নতুন নতুন গুটি ধৰিব আৰু সেইবোৰৰ গুটি আহাৰৰ নিমিত্তে আৰু সেইবোৰৰ পাত সুস্থ কৰিবৰ নিমিত্তে হ'ব" (যিহেষ্কেল ৪৭ঃ১, ৩-৫, ১২)।

বাইবেলত পানীৰ প্ৰতিমূৰ্তিক ঈশ্বৰৰ আত্মাৰ লগত তুলনা কৰা হৈছে। এই দৰ্শনে শেষ কালত পৱিত্ৰ আত্মাৰ পৰাক্ৰমেৰে বাকী দিয়া ছবিক স্পষ্টকৈ প্ৰকাশ কৰিছে। এই দৰ্শন ইমান শক্তিশালী আৰু অপ্ৰতিৰোধ যে যিহিষ্কেলে ইয়াক বোধগম্য কৰিব পৰা নাছিল। তেওঁ আনকি ইয়াৰ অৰ্থৰ ওপৰত কোনো মন্তব্যও কৰিব নোৱাৰিলে। তেওঁ কেৱল দৰ্শন শেষ হোৱাৰ আগেয়ে কেৱল জনাবহে পাৰিলে, ঈশ্বৰে যিহিষ্কেলক ৰখাই সুধিলে, "তুমি ইয়াক দেখিছানে?" (যিহিষ্কেল ৪৭ঃ৬)।

এই দৰ্শনে যিহেষ্কেলক নিশ্চয় আচৰিত কৰি তুলিছিল; বোধকৰো তেওঁ এই দৰ্শনৰ বিষয়ে বুজি পোৱা নাছিল। পুৰণি নিয়মৰ সকলো ভাববাদীৰ খ্ৰীষ্টৰ দৰ্শনৰ বিষয়ে সীমিত জ্ঞান আছিল।

## পৱিত্ৰ আত্মা বাকি দিয়া

"যিকোনোৱে মোত বিশ্বাস কৰে, ধৰ্মশাস্ত্ৰে কোৱাৰ দৰে তেওঁৰ ভিতৰৰ পৰা জীৱনময় জলৰ নৈবোৰ ওলাই বৈ যাব" (যোহন ৭ঃ৩৮)।

যিহিষ্কেলক শেষৰ কালত যীচু খ্ৰীষ্টৰ মণ্ডলী মহিমাণ্ডিত হোৱা আৰু সমস্ত ইতিহাসতকৈয়ো অধিক জয়যুক্ত হোৱা বুলি দেখুওৱা হ'ব। তেওঁৰ মণ্ডলী শক্তি আৰু মহিমাৰ উজ্জ্বলতাৰে যাব। কোনেও কেতিয়াও নজনা, নেদেখা যীচুৰ এনে এক সম্পূৰ্ণ উপভোগ কৰিব।

আজিৰ মণ্ডলীয়ে প্ৰথম শতিকাৰ মণ্ডলী আৰু ইয়াৰ প্ৰকৃত পাঁচনিবিলাকলৈ ঘূৰি চোৱাৰ যেন বোধ হয়। ওপৰ কোঠালীত সকলোলৈ পৱিত্ৰ আত্মা বাকি দিয়াৰ সময়ত সম্পূৰ্ণ পৰিপূৰ্ণ আছিল। "সেই সময়ত অতিশয় বেগেৰে যোৱা বৰ বতাহৰ নিচিনা এটা শব্দ আকাশৰ পৰা অকস্মাতে আহি যি ঘৰত তেওঁবিলাক বহি আছিল, সেই গোটেই ঘৰ জুৰিলে। তেতিয়া তেওঁবিলাকৰ আগত জুইৰ নিচিনা জিবা ওলাই, বেলেগ বেলেগ হৈ প্ৰতিজনৰ ওপৰত বৈ থাকিল। তাতে তেওঁবিলাক সকলোৱে পৱিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ, আত্মাই ক'বলৈ দিয়াৰ দৰে আন আন ভাষাৰে কথা ক'বলৈ ধৰিলে" (পাঁচনিৰ কৰ্ম ২ঃ২-৪)। পৱিত্ৰ আত্মা বাকি দিয়া এই কাৰ্য যোৱেল ২ঃ২৮, ২৯ পদত কৰা প্ৰতিজ্ঞাৰ পৰিপূৰ্ণতা হয়। তাত গোট খোৱা ১২০ জনৰ সকলোৱেই বিভিন্ন ভাষাত এই গৃহত কথা কৈছিল। যিবিলাকে তেওঁবিলাকৰ চাৰিওফালে গোট খাই চাই আছিল তেওঁবিলাক আচৰিত হৈছিল। সেই পাঁচনিবিলাকে পৱিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈছিল আৰু মানুহবিলাকৰ আগত বহুতো আচৰিত কৰ্ম দেখুৱালে। প্ৰথম শতিকাৰ মণ্ডলী এইদৰে আচৰিত কৰ্মৰে পূৰ্ণ হৈ আছিল। তেওঁলোকে পৱিত্ৰ আত্মাৰ পূৰ্ণ অভিজ্ঞতা লাভ কৰিছিল। শেষৰ কালতো ঈশ্বৰে পৱিত্ৰ আত্মাক বাকি দিয়াটো বিচাৰে।

এয়ে যিহিষ্কেলৰ দৰ্শনৰ বৈ যোৱা যি পানী ঈশ্বৰে ইয়াত প্ৰকৃততে ই আমাক দেখুৱাইছে (যিহিষ্কেল ৪৭ঃ১-২)। বৈ যোৱা পানীৰ তীব্ৰতাই পেন্তিকষ্টৰ দিনত যেতিয়া শিষ্যবিলাকলৈ পৱিত্ৰ আত্মাক বাকি দিয়া হৈছিল তাৰ প্ৰতিমূৰ্তিক বুজাইছিল। জীৱন পানীৰ নদী হৈছে পৱিত্ৰ আত্মা, পঞ্চাশদিনীয়া পৰ্ব, ঈশ্বৰৰ উপস্থিতিৰ প্ৰকাশ আৰু মহিমাৰ সৈতে এটা শক্তিশালী আৰম্ভণি হৈছিল। যিদৰে ভাববাদীজন নদী পাৰ কৰিছিল ই আৰু দ হৈ গৈ আছিল আৰু অৱশেষত সাতুৰিব পৰাকৈ দ হৈ গৈছিল!

প্ৰথম কেইটামান শতিকাত মণ্ডলীসমূহত ঈশ্বৰৰ লোকবিলাকক তাড়না কৰা হৈছিল আৰু দাসস্বৰূপে বন্দী কৰি ৰাখিছিল। সম্ৰাট কনষ্টেনটাইন যেতিয়া ক্ষমতালৈ আহিছিল দাসৰূপে বন্দী হোৱা সকলো ঈশ্বৰৰ দাস আৰু বিশ্বাসীসকলক মুক্ত কৰি দিছিল। লগতে তেওঁ খ্ৰীষ্টিয়ান ধৰ্ম তেওঁৰ সাম্ৰাজ্যৰ সাংবিধানিক ধৰ্ম বুলি ঘোষণা কৰিলে।

তথাপিও, বাস্তৱত তেতিয়াৰ দিনটো মণ্ডলীৰ তাড়ণা বৃদ্ধি হৈছিল। এইটো তেতিয়া হয় যেতিয়া নদীখন অতিকে দ হৈ যায় আৰু সাধুবিলাকে ঈশ্বৰৰ বাক্য আৰু দৰ্শনত বৃদ্ধি হয়।

মাৰ্টিন লুথাৰো আন এটা পাত্ৰৰ দৰে খ্ৰীষ্টৰ শৰীৰক এটা নতুন দিশলৈ আনিছিল। ধৰ্ম সংস্কাৰৰ সময়ত যি পানী বৈছিল ঈশ্বৰৰ লোকবিলাকৰ ককালত আৰু অধিক জোৰ দিলে। কিয়নো তেওঁবিলাকে ক্ৰুচীয় দৰ্শনত বাৰুকৈয়ে বৃদ্ধি হ'ল আৰু খ্ৰীষ্টৰ শক্তি আৰু মহিমাত গভীৰ জ্ঞান লাভ কৰিলে।

## জীৱন নদীয়ে প্ৰভুৰ আগমণৰ আগমুহূৰ্তত শীৰ্ষস্থান লাভ কৰিব

এইবাক্য যিহিষ্কেলক দিয়া দৰ্শনৰ যোগেদি আগেয়ে দিয়া এক ভৱিষ্যবাণী আছিল। ঈশ্বৰে এই ভাববাদীজনক এক আচৰিত যাত্ৰাত লৈ গৈছিল। প্ৰভুৱে হাতত ৰছী এডাল লৈ ১০০০ হাত জুখিলে, এক মাইলৰ এক তৃতীয়াংশ। সিমান দূৰত্বত প্ৰভু আৰু যিহেষ্কেলে পানীত খোজকাঢ়ি যাব ধৰিলে। সেই সময়ত পানীৰ উচ্চতা প্ৰথমে খাৰ-গঁঠিয়ালৈকে আছিল আৰু প্ৰভুৱে তেওঁক আৰু গভীৰ দলৈ যাবলৈ উৎসাহ যোগাই আছিল। পাছত তেওঁ এক হাজাৰ হাত যোৱাৰ পাছত পানী এঁকাঠুলৈকে হ'ল।

আৰু যেতিয়া যিহিষ্কেলে এই জোখৰ দাঁতিত ভৰি দিলে তেতিয়া পানীৰ গভীৰতা বেছি বাঢ়ি গ'ল। আৰু তেওঁ ক'লে, "মই পাৰ হৈ যাব নোৱাৰা এখন নদী, কিয়নো জলসমূহ বাঢ়িল, সাতুৰিব লগা জলসমূহ হ'ল" (যিহিষ্কেল ৪৭ঃ৫)।

যিচয়া ভাববাদীয়েও যিহিষ্কেলে তেওঁৰ দৰ্শনত দেখা একেখন নদী চকামকাকৈ দেখিছিল। আনকি ভাববাদীজনৰ মতে প্ৰভুৰ শেষৰ কালত মানুহবিলাকে চয়তানৰ সকলো আক্ৰমণৰ বিৰুদ্ধে নিৰাপত্তাক উপভোগ কৰিব পাৰিব ঃ

"তাত বঠাৰে চলোৱা বৃহৎ নাও বা প্ৰকাণ্ড জাহাজ নচলিব" (যিচয়া ৩৩ঃ২১)। যিচয়াই ইয়াত দাস চালিত যুদ্ধ জাহাজৰ বিষয়ে কৈছে। তেওঁ আমাক শত্ৰুৰ চয়তানৰ লগত তুলনা কৰি এক ছবি আমাক দেখুৱাইছে। কিয়নো তেওঁ এই মহান নদীত সাতোৰা সকলো লোকলৈ এটা আক্ৰমণ নিক্ষেপ কৰিবলৈ চেষ্টা কৰি থাকে। আৰু এইটো এটা সম্পূৰ্ণ খেলিমেলিৰ ছবি হয়।

ঈশ্বৰে এই শাস্ত্ৰপাঠবোৰত এই বিষয়টো কাঁচৰ দৰে পৰিষ্কাৰ কৰি দিছেঃ তেওঁৰ জীৱন জলে চয়তানলৈ সীমা বন্ধ কৰি দিছে। "যিবোৰে মোৰ প্ৰাণ বিচাৰে, সিহঁতে বঞ্চিত হৈ অপমান পাওক; যিবোৰে মোৰ অপকাৰলৈ সংকল্প কৰে, সিহঁত বিমুখ হৈ বিবৰ্ণ হওক, যিহোৱাৰ দূতে সিহঁতক খেদাই দিওঁতে ... যিহোৱাৰ দূতে সিহঁতৰ পাছে পাছে খেদি যাওঁতে ..." (গীতমালা ৩৫ঃ৪-৬)।

## আত্মিক মৃত্যুৰ পৰা জাগৃত হওক

"আৰু এই মহানদীখন যোৱা সকলো ঠাইৰে অসংখ্য জীৱজন্তু জীব" (যিহিষ্কেল ৪৭ঃ৯)।

যেতিয়া যিহিষ্কেল উলটি নদীখনৰ পাৰলৈ গ'ল আৰু তাতে তেওঁ আচৰিত হৈ'ৰ'ল। যেতিয়া তেওঁ উলটি পাছলৈ চালে নদীখনৰ দুয়ো পাৰত অনেক অনেক গছ দেখিলে। উটি যোৱা পানীৰ পৰাই এই গছবিলাকে জীৱন পাইছিল। এই গছবোৰৰ পাত কেতিয়া জঁয় নপৰিছিল আৰু ইয়াৰ ফলবোৰে সুস্থতা আনিছিল। এই ফল দিয়া গছবোৰে প্ৰত্যেক ঠাইত জীৱন দিছিল।

হয়, ঈশ্বৰৰ এই নদী য'লৈকে বৈ যায় তাতেই জীৱন দিব। তথাপি এই শেষৰ কালত আমি যোগাযোগ মৃত্যুৰ বানপানীক চাবলৈ গৈ আছোঃ

হাজাৰ হাজাৰ লোক ভয়ানক ৰোগবিলাকত মৃত্যু হৈ আছে।

বহুত প্ৰেমৰো মৃত্যু হ'ব। যীচুৰ মতে, "অনেকৰ প্ৰেম চেঁচা হ'ব" (মথি ২৪ঃ১২)।

পৌলে যোগ কৰি কয় যে বিদ্ৰূপকাৰী বিলাকে আহি খ্ৰীষ্টৰ পুনৰ আগমণৰ বাৰ্তাক ইতিকিং কৰিব। তেওঁৰ উপস্থিতিৰ আশা কৰা আন আন সাধুসকলক মৃত্যুদণ্ড দিব। তেওঁবিলাকৰ ইতিকিঙৰ দ্বাৰাই সু-আচৰণৰ ক্ষতি হ'ব আৰু পাপ বৃদ্ধি হ'ব।

মিছা ভাববাদী বিলাকে মৃত্যুৰ মতবাদ প্ৰচাৰ কৰিব। "কিন্তু দুষ্ট আৰু প্ৰবঞ্চকবিলাকে লোকৰ ভ্ৰান্তি জন্মাই আৰু নিজেও ভ্ৰান্ত হৈ, অধিক অধিককৈ মন্দ হৈ যাব" (২ তীমথিয় ৩ঃ১৩)। আনকি এতিয়াও আত্মিক মৃত্যুৱে গোটেই স্বধৰ্মভ্ৰষ্ট মণ্ডলীবোৰত বিয়পি গৈছে।

তথাপি এই সকলো মৃত্যু আৰু ধ্বংসৰ সময়ৰ মাজতো, মোৰ আত্মাত ঈশ্বৰৰ ভৱিষ্যবাণীয়ে তৰ্জন-গৰ্জন কৰি আছে। "মোৰ নদীৰ পানী আৰু বাঢ়িব আৰু য'তেই মোৰ নদী ব'ব তাৰ সকলো বস্তু জীব"।

আপোনাৰ পৰিয়ালৰ বিষয়ে কি কয়? আপোনাৰ পৰিয়ালত খেলিমেলি পৰিস্থিতিয়ে স্থান লৈ আছে নেকি? আপোনাৰ প্ৰিয়জনবিলাকৰ মাজত আপুনি মৃত্যুৰ তাণ্ডৱ দেখি আছেনে? আপুনি প্ৰত্যেক কাৰ্যত ব্যৰ্থ হৈ আছেনেকি? আমাৰ ঈশ্বৰৰ এই প্ৰতিজ্ঞাৰ লগত লাগি থাককঃ তেওঁবিলাকে সুস্থ পাব, আৰু যত নদী বৈ আহিব তাত সকলোৱে জীব"।

আপুনি নাজানে যে ঈশ্বৰে কিদৰে এই সকলো কাৰ্যক পৰিপূৰ্ণ কৰিব। কিন্তু যদি তেওঁ কয় যে নদীৰ পানী বাঢ়িব আৰু এই পানীত স্পৰ্শ হোৱা সকলোৱে জীব। আমি তেওঁত বিশ্বাস কৰিব লাগিব নিশ্চয়ে তেওঁ এই কাৰ্য কৰিব।

## কিছুমানক বাদ দিয়া হ'ব

যিবিলাকে এই আচৰিত জাগৰণ নদীৰ পৰা বাদ পৰিব, তেওঁবিলাকক "লোণ দিয়া হ'ব"। "কিন্তু তাৰ বোকা ঠাই আৰু দলদলনিবোৰ উত্তম নহ'ব; সেইবোৰ লোণীয়া ঠাই হ'ব" (যিহিষ্কেল ৪৭ঃ১১)।

যিহিষ্কেলে ইয়াত বোকা ঠাই, সম্পূৰ্ণ লেতেৰা আৰু দলদলনি বৰ্ণনা কৰিছে। কিয়নো যেতিয়া নদীয়ে এই বোকা ঠাইৰ ওপৰেদি বৈ যায়, সেইবোৰ উত্তম নহয়। প্ৰকৃততে নদীয়ে সেইবোৰক একেবাৰে শুকান কৰি লোণত পৰিণত কৰি বৈ পাৰ হৈ যায়।

পুৰণি নিয়মত লোণক বিদ্ৰোহচৰণ আৰু নিস্ফলৰ প্ৰতীক বুজায়। এই বোকা লোণক যিহিষ্কেলে ইয়াত ঈশ্বৰৰ যিবিলাক মানুহে গভীৰভাৱে অনুভৱ কৰিছে কিন্তু পৰিৱৰ্তন নহয়। এনে ধৰণৰ মানুহে তেওঁবিলাকৰ পাপ আৰু মৃত্যুৰ বাবে কান্দিব, কিন্তু ঈশ্বৰৰ বাক্যলৈ বাধ্য নহয়। তেওঁবিলাকে প্ৰতিশ্ৰুতি আৰু অংগীকাৰ কৰে, কিন্তু তেওঁবিলাকে তাক পালন নকৰে। যিচয়া ভাববাদীয়ে এই বিষয়ত এইদৰে লিখে, "কিন্তু দুষ্টবোৰ খলক লগা সমুদ্ৰৰ নিচিনা, কিয়নো সেয়ে থিৰে থাকিব নোৱাৰে, আৰু তাৰ জলসমূহে বোকা আৰু মল তোলে" (যিচয়া ৫৭ঃ২০)।

এই মানুহবিলাকে মুকলিকৈ নিজকে খ্ৰীষ্টিয়ান বুলি স্বীকাৰ কৰে। আৰু তেওঁবিলাকে ঐশ্বৰিক অনুযোগৰ সৈতে প্লাবিত হৈ আছে। পৱিত্ৰ আত্মাই তেওঁবিলাকৰ আত্মাবোৰৰ গভীৰতাক গুৰুত্ব দিয়ে আৰু বিনয় কৰে। কিন্তু তেওঁবিলাকে অপৰিৱৰ্তিত হৈ থাকে। তেওঁবিলাকে জীৱন নদীত থিয় হৈ থাকে, কিন্তু তেওঁবিলাকে তেওঁলোকৰ অন্তৰৰ গভীৰতাত ইয়াক স্পৰ্শ কৰিবলৈ নিদিয়ে।

ফলস্বৰূপে, যীচুৰ জীৱন তেওঁলোকৰ পৰা উদয় নহয়। পৰিৱৰ্তে, তেওঁবিলাকৰ পেটৰ পৰা পৰচৰ্চা, অতিৰঞ্জিত প্ৰশংসা কৰা, মিছা কথা আৰু ভেমেচা আদি ওলাই আহে। তাৰ বিপৰীতে তেওঁবিলাকৰ চাৰিওফালে বিবাদ আৰু তিক্ততাই স্পৰ্শ কৰে। তেওঁবিলাকে নিজৰ প্ৰতি সমবেদনাত পতন হৈ যায়। তেওঁবিলাকে, আনবিলাকে কৰা ঈশ্বৰৰ কাৰ্যক অভিযোগ আৰু প্ৰশ্ন কৰি থাকে। তেওঁবিলাকে জীৱনক গ্ৰহণ কৰে, কিন্তু তেওঁবিলাকে লেতেৰা বোকাত পৰি থাকে। তেওঁবিলাক আত্মিক অনুকৰণকাৰী হয়, তেওঁবিলাকৰ চাৰিওফালে মৃত্যুক বিয়পাই দিয়ে।

পিতৰৰ বাক্যত তেওঁবিলাক "পানী নথকা নাদ" বুলি কোৱা হৈছে (২ পিতৰ ২ঃ১৭)। যিহিষ্কেলৰ মতে তেওঁবিলাকক "লোণীয়া ঠাইত দিয়া হ'ব।" এইটো এটা নিষ্ফলতাৰ অভিশাপ হ'ব। তেওঁলোকৰ জীৱনত কোনো ফল নধৰিব। তেওঁবিলাক কামৰ সম্পূৰ্ণ অযোগ্য হ'ব। তথাপি তেওঁবিলাকে তেওঁবিলাকক বিদ্ৰোহত, পতনৰ অহংকাৰত দৃঢ়

হৈ থাকিব। দুখজনকভাৱে তেওঁলোকৰ চাৰিওফালে বৈ থকা জীৱনৰ নদীক ঈশ্বৰে সম্পূৰ্ণভাৱে বেকা কৰি দিব। অৱশেষত তেওঁবিলাক অন্ধ হ'ব আৰু তেওঁবিলাক যি বিপদত সোমাইছে সি আৰু অধিক গভীৰতালৈ যাব। যেতিয়া পৱিত্ৰ আত্মাই তেওঁবিলাকক ত্যাগ কৰিব, তেওঁবিলাক প্ৰতাৰিত হ'ব আৰু যেতিয়া তেওঁবিলাকৰ চাৰিওফালে ধ্বংস নামি আহিব তেওঁবিলাকে "শান্তি শান্তি" বুলি ক্ৰন্দন কৰিব।

সেই মৃত্যুৰ মোনাবোৰ দেখি যিহিষ্কেল নিশ্চয় বিশ্বাসহীন হৈছিল। তেওঁ দেখিলে যি নদীৰ পানী যিফালে গৈছিল সেই সকলো ফালেই জীৱন ওলাই আহিছিল। কিন্তু সেই মৃত্যুৰ মোনাবোৰত কেৱল নিষ্ফল, আৰু বগা শুকান বস্তু দেখিছিল।

খ্ৰীষ্টৰ অনুকৰণকাৰীবিলাকৰ কিয় এনে অৱস্থা হ'ব পাৰে? কিয় এজন ঈশ্বৰৰ দাসে ইমান খালী, শুকান আৰু জীৱন দিয়া নদীৰ পৰা বিচ্ছিন্ন হ'ব পাৰে? পিতৰে ইয়াক ব্যাখ্যা কৰি এইদৰে কয়ঃ

"তেওঁবিলাক দুঃসাহিয়াল আৰু নিজ ইচ্ছাৰে চলোতা; তেওঁবিলাকে প্ৰতাপৰ অধিকাৰীবিলাকৰ বিৰুদ্ধে নিন্দা কৰিবলৈ ভয় নকৰে..." তেন্তে তেওঁবিলাকৰ শেষ অৱস্থা প্ৰথম অৱস্থাতকৈ বেয়া... পৱিত্ৰ আত্মাৰ পৰা উলটি যোৱাতকৈ ধৰ্ম পথ নজনাকৈ থকা তেওঁবিলাকৰ পক্ষে ভাল আছিল" (২ পিতৰ ২ঃ১০-২১)।

এই দুখদায়ক ঘটনাৰ আটাইতকৈ দুখ লগা কথা হৈছে এটা সময়ত এই শুকান নাদবোৰ জীৱন জলৰ ভুমুক আছিল। এসময়ত তেওঁলোকৰ জীৱনবোৰে সুস্থতা আৰু আশীৰ্বাদ কঢ়িয়াই আনিছিল। কিন্তু এতিয়া ইয়াৰ পৰা কেৱল তিক্ততা, ঘৃণা আৰু মৃত্যু ওলাই আহে।

যেতিয়া আপোনাৰ চাৰিওফালে এই নৈ বৈ থাকে আৰু যদি আপুনি ইয়াৰ মাজত সোমাই পৰে তেতিয়া আপুনি এইদৰে একেৰাহে হৈ থাকিব নিদিব। ঈশ্বৰৰ এই জীৱন জলৰ যোগেদি আপোনাৰ পেট পূৰ্ণ কৰিবলৈ দিয়ক। আপুনি ইয়াক উপলব্ধি নকৰিবও পাৰে, কিন্তু আমাৰ প্ৰভুৰ দৰ্শনৰ প্লাৱিত জল আহি আছে। এই জনে যিকোনো মানুহৰ যত্ন লয় বা সেৱা কৰে।

গতিকে, যিহিষ্কেললৈ দিয়া দৰ্শনৰ গুৰুত্বতাক আপুনি বুজি পাইছেনে? পুৰণি নিয়মৰ ভাববাদীবিলাকে ইয়াক বুজি পোৱা নাছিল। কিন্তু তেওঁৰ পৱিত্ৰ আত্মাৰ যোগেদি ঈশ্বৰে আমাক তেওঁৰ অতিশয় মহানতাক চাবলৈ দিছে। গতিকে আপুনি শুনক ঃ এক জীৱনৰ নদ আহি আছে!

****

## আৱশ্যক

ইংৰাজী অথবা হিন্দী বা দুয়োটা ভাষাত কম্পিউটাৰ চলোৱাত দক্ষতা থকা লোকৰ আমাৰ প্ৰয়োজন আছে। কৰ্মস্থান হৈছে আমাৰ চেন্নাইত থকা মুখ্য কাৰ্যালয়। উপযুক্ত মাহেকীয়া দৰমহা দিয়া হ'ব। আমালৈ যোগাযোগ কৰক।

— সম্পাদক


# NEHEMIAH BIBLE COLLEGES, CHENNAI, INDIA

**ECHO OF HIS CALL MINISTRIES** (ESTD.: 1969)

**Affiliated to Hindustan Bible Institute & College (HBI), Chennai**

**&**

**Recognised by the International Christian Leaders & Senior Pastors for the 50 Years! Hundreds of candidates benefitted!!**

**RESIDENTIAL COLLEGE, Velachery**
**(Medium: English & Hindi)**

Course : Diploma in Theology,
Qualification : 10th Standard
Period : One year (with field and administrative trainings)

Golden Opportunity!

Don't miss!!

God is Calling you!!!

**EVENING COLLEGE, Chepauk & Santhoshapuram**
**(Medium : Tamil)**

Course : Diploma in Theology
*Monday, Tuesday & Thursday 6.30 PM to 8.30 PM*
(Evening Classes - Chepauk)
Qualification : 10th Standard
Period : One year (with Special Seminars on holidays)

**Pastor S. Sam Selva Raj, Founder-President**

**For more details & application forms please contact :**

NEHEMIAH BIBLE COLLEGES

10, Mohammed Abdullah 2nd Street, Bells Road, Opp. Cricket Stadium, Chepauk, Chennai - 600 005, India.

**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell No : (+91) 98410 71852, 95661 31858**

**E.mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Websites : www.echoofhiscall.org / www.echoofhiscall.com**



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

**"যি ঈগল চৰাইয়ে নিজৰ পোৱালীয়ে উৰিবলৈ বাহ লৰায়, সিহঁতৰ ওপৰত ঘূৰে, সেই ঈগল চৰাইৰ নিচিনাকৈ তেওঁ নিজৰ ডেউকা মেলি তাক তুলি, নিজ ডেউকাৰ ওপৰত তাক বৈ নিলে" (দ্বিতীয় বিৱৰণ ৩২ঃ১১)**

মোৰ পৰিচৰ্যাৰ আৰম্ভণিত মই ব্যক্তিগতভাৱে বহুতো সমস্যাৰ সন্মুখীন হৈছিলো। চয়তানে মোৰ জীৱনত আক্ৰমণ কৰিবলৈ মোৰ পৰিস্থিতিবোৰক, বন্ধুবিলাকক, মোৰ সম্বন্ধীয়া আদিক ব্যৱহাৰ কৰিছিল। এই ভয়ংকৰ পৰিস্থিতিৰ মাজতো মই মোৰ জীৱনত ঈশ্বৰৰ হাত থকা দেখা পাইছিলো।

ৰাজনৈতিক আৰু ধাৰ্মিক পৰিস্থিতিৰ বাবে চেন্নাই চহৰৰ যিকোনো এক ঠাইত মোৰ আত্মিক কাৰ্যবোৰ কৰিবলৈ অনুমতি পোৱা নাছিলো। কিয়নো মোক আৰ্থিকভাৱে দৰিদ্ৰ আৰু অকলশৰীয়া ব্যক্তি বুলি লোকবিলাকে জানিছিল। মই বহুত ধৰণৰ অকথনীয় হেঁচাবোৰৰ আৰু বাধাবোৰৰ সন্মুখীন হৈছিলো। এফালে মই পৰিচৰ্যাৰ বাবে আগবাঢ়ি যাবলগীয়া হৈছিল আৰু আনফালে মই এজন যুৱক হিচাবে সেই সমস্যা আৰু অসুবিধাবোৰ মোৰ বাবে বহুত অধিক আছিল।

এনে পৰিস্থিতিৰ সময়ত ঈশ্বৰে মোৰ জীৱনত শ্ৰীমান জে.আৰ. সুন্দৰৰাজ নামৰ বৃদ্ধ ব্যক্তি এজনক আনিলে। তেওঁ এজন আচৰিত, দয়ালু আৰু যত্নৱান ব্যক্তি আছিল। দুদিনৰ ভিতৰত অন্তত এটা সময়ত তেওঁ মোক লগ ধৰি মোৰ সৈতে প্ৰাৰ্থনা কৰে, পৰামৰ্শ দিয়ে, উৎসাহ যোগাই আৰু সহায় কৰে। ঈশ্বৰ আৰু ঈশ্বৰৰ সন্তানৰ প্ৰতি থকা তেওঁৰ প্ৰেম আৰু ভক্তিক গণ্য কৰি মই তেওঁৰ ওপৰত প্ৰত্যেক বিষয়ত সম্পূৰ্ণ ভাৰসা ৰাখিছিলো। তেওঁ এগৰাকী ভাৰ্যা আৰু সন্তানৰ সৈতে আশীৰ্বাদপ্ৰাপ্ত সংসাৰ আছিল। তেওঁ তেওঁৰ সন্তানবিলাকক ঈশ্বৰীকভাৱে ডাঙৰ-দীঘল কৰিছিল। তেওঁ নিজকে এক জীৱিত সাক্ষ্যৰূপে প্ৰমাণ কৰিছিল; তেওঁৰ প্ৰেম আৰু যত্নত থকাৰ বাবে মই বহুত সুখী হৈছিলো।

হঠাৎ তেওঁ ৰোগত পৰিল আৰু ঈশ্বৰৰ সৈতে থাকিবলৈ স্বৰ্গীয় হ'ল। মই পুনৰ অকলশৰীয়া হৈ পৰিছিলো। সেই সময়ত মোৰ এজনো প্ৰকৃত বন্ধু নাছিল। সেয়েহে মই তেওঁৰ বাবে বহুত দিন ধৰি শোকত আছিলো।

এদিনাখন মই যেতিয়া অধিক বোজা লৈ প্ৰাৰ্থনা কৰি আছিলো প্ৰভুৱে মোক তেওঁৰ শক্তিৰ দ্বাৰাই উৎসাহ যোগালে আৰু মোক তুলিলে আৰু তেওঁত মই কিদৰে মোৰ সকলো বোজা জাপি দিব লাগে তাক শিকালে (১ পিতৰ ৫ঃ৭, ফিলিপীয়া ৪ঃ৬-৭; গীতমালা ৫৫ঃ২২)।

মই এই বিষয়ত বহুতবাৰ শিক্ষা দিছিলো কিন্তু মোৰ যেতিয়া প্ৰয়োজন হৈছিল ইয়াক মই মোৰ জীৱনত কাৰ্যত পৰিণত কৰিব পৰা নাছিলো।

গতিকে মই ঈশ্বৰৰ আগত এটা সম্পূৰ্ণ দিন আৰু ৰাতি বহিবলৈ সময় ল'লো। আৰু মোৰ সম্পূৰ্ণ বোজা কিদৰে তেওঁৰ ওপৰত জাপি দিব লাগে তাকে শিকাবলৈ মই মোৰ প্ৰভুক ক'লো। মই ঈশ্বৰক ধন্যবাদ দিলো আৰু প্ৰশংসা কৰো। তেওঁক মোৰ উত্তম বন্ধু, পৰামৰ্শদাতা আৰু যোগাওতা বুলি বিশ্বাস কৰিবলৈ তেওঁ মোক অকথনীয় আৰু ব্যাখ্যা কৰিব নোৱাৰা এক বিশেষ শক্তি দিলে। এইদৰে বহুত বছৰ অতিবাহিত হৈ গ'ল, কিন্তু সেই দিনটোত মই যি বিশেষ আত্মিক শক্তি পাইছিলো সেই শক্তি এতিয়াও মোৰ জীৱনক নিয়ন্ত্ৰণ কৰি আছে। "যদিও সি পৰে, তথাপি নিচেইকৈ পতিত নহ'ব; কিয়নো যিহোৱাই তাৰ হাতত ধৰিছে" (গীতমালা ৩৭ঃ২৪)। এতিয়াও মই মোৰ প্ৰতিদিনৰ জীৱনত বিভিন্ন ধৰণৰ ঢৌ আৰু জোৱাৰবোৰৰ সন্মুখীন হ'বলৈ সমৰ্থ হৈছো।

প্ৰিয় বন্ধু, আপুনি আপোনাৰ জীৱনত হেৰুওৱা বস্তুবোৰৰ বাবে নিৰাপত্তাহীনতা অনুভৱ কৰিছেনে? আপোনাৰ বৰ্তমানৰ অৱস্থাৰ বাবে আপুনি চিন্তিত হৈ আছেনে? যিহোৱাৰ দ্বাৰাই মানুহৰ গতি স্থিৰ কৰা হয়, আৰু তেওঁ তাৰ পথত সন্তোষ পায় (গীতমালা ৩৭ঃ২৩)।

****


**ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম**

**১। বিব্লিকৰ**

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱন!** নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম ঃ পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয় ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪২ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰ** বঁটা দিয়া হ'ব।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*



**The Chairman, Nehemiah Bible College, Echo of His Call**
10, Mohammed Abdullah 2nd Street, Opp. Cricket Stadium,
Chepauk, Chennai - 600 005, India.
Ph. : (044) 2852 8282, 2852 9293, 2854 7766 Cell : (+91) 98410 71852
95661 31858. E-mail : biblecor@yahoo.co.in

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

# ECHO OF HIS CALL

**Monthly magazines in 16 languages, Bible Colleges, Postal Courses, Church Planting, Village English High School, Gospel Printing Press, Crusades, Seminars, Social Services, etc.**

**Annual Subscription : Rs. 100/- Life Subscription : Rs. 2000/-**

The multifarious activities of **Echo of His Call Ministry** is supported by the free-will offerings and donations of the God's Children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us. Whenever you change your postal or e-mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our websites also. You can read it by going into the site as well as downloading it and get blessed.

Your letters, prayer requests and your financial helps (by D.D., Cheque, M.O. etc.) to **ECHO OF HIS CALL** may be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, Mohammed Abdullah 2nd Street, Chepauk,
Chennai - 600 005, India
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766,
Cell: (+91) 98410 71852, 95661 31858
E-mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.echoofhiscall.com

**YOU CAN SEND YOUR DONATIONS ON ONLINE ALSO**

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEADQUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR -** Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikaans.
4. Nehemiah Bible Colleges (Two Centres)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 5.30 a.m. , 7.00 a.m. & 10.00 a.m. Sunday**
14. **Malayalam Service : 2.00 p.m. Sunday**
15. **Telugu Service : 4.00 p.m. Sunday**
16. **Hindi Service : 5.00 p.m. Sunday**
17. **English & Tamil Service : 6.00 p.m. Sunday**
18. Pastors' Counselling : 4.00 p.m. Sunday
19. Women's Prayer : 5.30 p.m. Wednesday
20. Mid-week Bible study : 6.30 p.m. Wednesday
21. Men's Prayer : 7.00 p.m. Friday
22. Workers' Meeting : 6.00 p.m. Saturday
23. House Meetings : 6.30 p.m. Monday & Tuesday
24. Special Holy Communion : 5.30 a.m. 1st day of each month
25. Ministers Review Meeting : 5.30 p.m. First Saturday
26. Parents' Prayer : 4.00 p.m. First Sunday
27. Night Prayer : 9.30 p.m. Second Friday
28. Fasting Prayer : 9:30 a.m. Third Saturday
29. Holy Communion : Second Sunday Services
30. Morning Devotion : 5.30 a.m. daily
31. Staff Devotion : 9.00 a.m. daily
32. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

RNI NO. TNASS/2000/2335
Postal Regn. No. TN/CH/(C)/204/18-20
WPP NO. TN/PMG(CCR) / WPP- 262/18-20
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th JUNE 2020
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957,
Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

***JESUS LOVES YOU!***

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**